# প্ৰতিবেদন

## অসমীয়া বিভাগ

## পানীগাঁও উম প্ৰকাশ দিনোদীয়ামহাবিদ্যালয়

**<u>শিল্পী দিৱস উদযাপন</u>**

দিনাংক : ১৭ জানুৱাৰী ২০২৩

পানীগাঁও ওম প্ৰকাশ দিনোদীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত ৰূপান্তৰৰ শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম তিথিৰ লগত সংগতি ৰাখি ইংৰাজী ১৭ জানুৱাৰী, ২০২৩ তাৰিখে শিল্পী দিৱস উদযাপন কৰা হয়। অনুষ্ঠানটোৰ বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ অম্বিকা দত্ত হাজৰিকাই। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সুৰেশ দত্তই ৰূপান্তৰৰ শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আৰু কৃতি সম্পৰ্কে বক্তৃতা দাঙি ধৰে। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপক কোষৰ সমন্বয়ক বাবুল বাঢ়ৈ আৰু অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক বিজয়লক্ষ্মী দাসে বক্তৃতা প্ৰদান কৰে। উপস্থিত ছাত্ৰ-ছাত্ৰী সকলৰ জ্যোতি সংগীত আৰু নৃত্য পৰিৱেশনেৰে অনুষ্ঠানটোৰ সামৰণি পৰে।






